# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 09-June-2026

**Time :** 2125 HRS

## *Assamese Night Bulletin*

**-------------------**

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম-ইউৰোপীয় সহযোগিতাত নতুন অধ্যায়ৰ সূচনা কৰি সুগন্ধি, আয়ুশ্ব আৰু খাদ্য প্ৰসংস্কৰণ খণ্ডৰ সুদৃঢ়কৰণৰ উদ্দেশ্যে ইউৰোপীয় সংঘৰ সহযোগিতাত আজি ব্লু ভেলী ক্লাষ্টাৰ উদ্যম মুকলি কৰে। এই উদ্যমৰ অংশ হিচাপে অসম ঔদ্যোগিক উন্নয়ন নিগম আৰু ভাৰতত ইউৰোপীয় ব্যৱসায় সংঘৰ মাজত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়। এই উপলক্ষে ড০ শৰ্মাই কয় যে কৃষকসকলক বিশেষ গুৰুত্ব আৰোপেৰে গঢ়ি তোলা এই উদ্যমে ৰাজ্যৰ কৃষিজাত আৰু প্ৰাকৃতিক সম্পদক বিশ্ব বজাৰৰ সৈতে সংযোগ কৰাৰ লগতে ইউৰোপীয় অংশীদাৰসকলৰ সৈতে শক্তিশালী মূল্যশৃংখলা গঢ়ি তুলিব। ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিয়ে অসমৰ বাবে বিনিয়োগ, ৰপ্তানি আৰু ঔদ্যোগিক বিকাশৰ নতুন দুৱাৰ মুকলি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

বাইট

দক্ষ মানৱ সম্পদ, ঔদ্যোগিক আৰু অনুকুল উদগনি নীতিৰ জৰিয়তে অসমে ইতিমধ্যে নৱীকৰণযোগ্য শক্তি, কৃষি প্ৰ-সংস্কৰণকে ধৰি ভৱিষ্যমুখী খণ্ডত বিশ্বমানৰ বিনিয়োগ আৰু উদ্যোগৰ বাবে আকৰ্ষণীয় স্থলী হিচাপে পৰিগণিত হৈছে বুলি ড° শৰ্মাই উল্লেখ কৰে।

ইয়াৰ পূৰ্বে ড০ শৰ্মা ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূত হাৰৱে ডেলফিনৰ সৈতে গুৱাহাটীত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনাত ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাৰ লগতে ইউৰোপীয় সংঘৰ প্ৰতিনিধিসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে ইউৰোপীয় সংঘৰ প্ৰতিনিধিৰ সৈতে অসমলৈ অহা ভাৰতস্থিত ইউৰোপীয় ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ সংঘ - এফ ই বি আই, ইণ্ডিয়াৰ সৈতেও ফলপ্ৰসূ আলোচনাত মিলিত হয়। আলোচনাকালত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়। ইউৰোপৰ ২৫০ টাৰো অধিক প্ৰতিষ্ঠান আৰু ছহেজাৰৰো অধিক ব্যৱসায়িক সংযোগক প্ৰতিনিধিত্ব কৰা এফ ই বি আইৰ সৈতে হোৱা অংশীদাৰিত্বৰ জৰিয়তে ৰাজ্যৰ যুৱ শক্তি, কৃষক আৰু মহিলা উদ্যমীসকলৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে এই 'ব্লু ভেলী ক্লাষ্টাৰ'ৰ জৰিয়তে ইউৰোপৰ সৈতে অসমৰ বাণিজ্য শৃংখল গঢ়ি তোলাৰ উদ্যোগ লোৱা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযানৰ সফল ৰূপায়ণৰ দহ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি দেশজুৰি বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। শোণিতপুৰ জিলাৰ বিভিন্ন স্বাস্থ্যকেন্দ্ৰ আৰু আন কেইবাটাও স্থানত এই কাৰ্যসূচীৰ অংশ হিচাপে সন্তানসম্ভৱাসকলৰ বিশেষ প্ৰসৱপূৰ্ব যতন তথা সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। স্বাস্থ্য বিভাগৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত জিলাখনৰ বহু গৰ্ভৱতী মহিলাই অংশ লৈ এই সেৱাৰ সুবিধা গ্ৰহণ কৰে। স্বাস্থ্য শিবিৰসমূহত বিশেষজ্ঞ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলে মহিলাসকলৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে পৰিপুষ্টি সম্পৰ্কীয় পৰামৰ্শ আগবঢ়ায়। তদুপৰি গৰ্ভাৱস্থাত ল'বলগীয়া সাৱধানতা আৰু গৰ্ভস্থ শিশুটিৰ সুৰক্ষাৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কতো অৱগত কৰোৱা হয়।

গোলাঘাট জিলাতো আজি এই অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে স্বাস্থ্য বিভাগে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ অধীনত সন্তানসম্ভৱাসকলৰ স্বাস্থ্য পৰীক্ষা শিবিৰ মুকলি কৰা হয়। জিলাখনৰ ২০ টা প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযান কেন্দ্ৰৰ লগতে আয়ুস্মান আৰোগ্য মন্দিৰ, সামুহিক স্বাস্থ্য কেন্দ্ৰ, মহকুমা অসামৰিক চিকিৎসালয় আদিত স্বাস্থ্য শিবিৰ মুকলি কৰা হয়। এই শিবিৰ সমূহত ৪ হাজাৰৰো অধিক গৰ্ভৱতী মহিলাৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

শ্ৰীভূমি জিলাতো আজি এই অভিযানৰ অধীনত স্বাস্থ্য শিবিৰ মুকলি কৰা হয়।

০০০০০

সমাপ্ত